অসম আদিত্য

RNI REGN
epa
Portal :
e-mail :

২ ■ ১ আঘোণ, ১৯৪৫ শক ■ শনিবাৰ, ১৮ নৱেম্বৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Saturday, November 18, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰক

কে
য়েই
ত হয়।
নবেল

খালী
ৰোগ

# অসম সত্ৰ মহাসভাৰ উদ্যোগত সত্ৰীয়া সংস্কৃতি দিৱস পালন



ডিব্ৰুগড়, ১৬ নৱেম্বৰ ঃ সদৌ অসম ডিব্ৰুগড় জিলা সত্ৰ মহাসভা, জিলা আই কনকলতা মহিলা তীৰ্থৰ উদ্যোগত আৰু ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ সহযোগত ১৫ নৱেম্বৰত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত সদৌ অসম সত্ৰ মহাসভাৰ সত্ৰীয়া সংস্কৃতি দিৱস উদ্‌যাপন কৰা হয়। বিশ্ববিশ্ৰুত শিল্পী, ভাৰতৰত্ন, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ প্ৰচেষ্টাত ১৫ নৱেম্বৰৰ দিনটোতে সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰাৰ এই পৱিত্ৰ দিনটি উদ্‌যাপনৰ প্ৰথম কাৰ্যসূচী কানৈ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক তথা সদৌ অসম সত্ৰ মহাসভা ডিব্ৰুগড় জিলাৰ সহকাৰী সাধাৰণ সম্পাদক ড০ জ্যোতিপ্ৰসাদ ফুকনে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে। ডিব্ৰুগড় জিলা আই কনকলতা মহিলা তীৰ্থৰ সভানেত্ৰী জিতা ডেকা হাজৰিকাই সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা অনুষ্ঠানটোত উপস্থিত আইসকলৰ মাংগলিক উৰুলি ধ্বনিৰে অনুষ্ঠানটোৰ পৱিত্ৰতা বৃদ্ধি কৰে। জিতা ডেকা হাজৰিকাই সভাপতিত্ব কৰা সভাখনত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে অধ্যাপক ড০ জ্যোতিপ্ৰসাদ ফুকনে। সম্পাদিকা মামণি শৰ্মাই আঁত ধৰা আৰু কণক চম্পা বুঢ়াগোহাঁইৰ এটি সুমধুৰ বৰগীতেৰে আৰম্ভ কৰা সভাত আই কনকলতা মহিলা তীৰ্থৰ ডিব্ৰুগড় জিলাৰ সম্পাদিকা মীণাক্ষী দাস বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰি সত্ৰীয়া কলা-সংস্কৃতি তথা মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ সৃষ্টি, আদৰ্শ, কৰ্মৰাজি আৰু গুৰুজনাৰ পৰৱৰ্তী পৰ্যায়ৰ গুৰুসকলৰ সৃষ্টি, আদৰ্শ আৰু কৰ্মৰাজি সম্পৰ্কত আলোকপাত কৰে। তেওঁ সত্ৰীয়া নৃত্যক ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি প্ৰদানৰ ক্ষেত্ৰত ড০ ভূপেন হাজৰিকাৰ প্ৰচেষ্টাৰ বিষয়ে অৱগত কৰি সকলোকে আদৰণি জনায়। সভানেত্ৰী জিতা ডেকা হাজৰিকাই সত্ৰীয়া সংস্কৃতি সম্পৰ্কে বিস্তৃত ব্যাখ্যা কৰি এক সাৰুৱা বক্তব্য প্ৰদান কৰে। অসমৰ সত্ৰীয়া সংস্কৃতিক অসমৰ মানুহৰ মাজত জীয়াই ৰখাৰ লগতে অসমৰ নৱপ্ৰজন্মৰ মাজলৈ বিয়পাই দিয়াৰ উদ্দেশ্যৰে অনুষ্ঠিত সভাত কণ কণ শিশুসকলৰ লগতে অনুষ্ঠানত উপস্থিত অন্যান্যসকলে ভূপেন্দ্ৰ সংগীতত নৃত্য আৰু গীত পৰিৱেশন, কবিতা আবৃত্তি, সত্ৰীয়া সংস্কৃতিৰ লগত সংগতি ৰাখি বৰগীত, দিহানাম, লোকগীত, সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত জুলি দত্ত আৰু সংগীবৃন্দৰ দিহানাম, কণক চম্পা বুঢ়াগোহাঁই আৰু কণমানি শিল্পী তৃযাদৰ্শী গগৈৰ বৰগীত, মামণি শৰ্মা, মিনাক্ষী দাস বৰুৱা, অৰ্পনা ফুকন দাস, শিৱাংগী বৰবৰা, ৰূপামণি গগৈ, ৰশ্মিৰেখা দুৱৰা, নিবেদিতা চুতীয়া, দিপীকা বৰা, জুলি চিৰিং, ৰিতুমণি ফুকন, নিজৰা গগৈৰ কবিতা আবৃত্তি, দীপালি শইকীয়া, অনিমা বৰা সোনোৱাল, নিকি নিকুঞ্জ চেতিয়া, ৰীতামণি দাস শইকীয়াৰ নাম আৰু লোকগীত ভাব্যা বৰুৱা, দীক্ষিতা গগৈ, চয়নিকা গগৈ, তৃযাদৰ্শী গগৈৰ লগতে আন কেইবাগৰাকীও শিল্পীয়ে সত্ৰীয়া সংস্কৃতি আৰু সুধাকণ্ঠৰ সৃষ্টিৰাজিৰ স্মৰণত তেওঁলোকৰ প্ৰতিভাসমূহ পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। শেষত সকলোৱে সমস্বৰে জাতীয় সংগীত পৰিৱেশনেৰে সফল সমাপ্তি কৰা অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়ায় সম্পাদিকা মিনাক্ষী দাস বৰুৱাই।